## বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী

# সাহিত্য অকাডেমিৰ দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ

গুৱাহাটী, ৬ নৱেম্বৰ ঃ দেশৰ সাহিত্য ক্ষেত্ৰখনৰ অগ্ৰণী অনুষ্ঠান সাহিত্য অকাডেমীয়ে জ্ঞানপীঠ বিজয়ী অসমীয়া সাহিত্যিক তথা সাহিত্য অকাডেমিৰ প্ৰাক্তন সভাপতি প্ৰয়াত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী উপলক্ষে দুদিনীয়াকৈ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ আয়োজন কৰিছে। নতুন দিল্লীৰ ৰবীন্দ্ৰ ভৱনৰ তৃতীয় মহলাত থকা সাহিত্য অকাডেমিৰ সন্মিলন কক্ষত অহা ১৯ আৰু ২০ নৱেম্বৰত আলোচনা চক্ৰখন অনুষ্ঠিত হ'ব। আলোচনা চক্ৰত সাহিত্য অকাডেমিৰ সভাপতি আৰু উপ-সভাপতিৰ লগতে দিগন্ত বিশ্ব শৰ্মা, বিশ্বাস পাটিল, কুল শইকীয়া, মলয়া খাউণ্ড, কৰবী ডেকা হাজৰিকা, নিৰ্মল কান্তি ভট্টাচাৰ্য, মনোজ গোস্বামী, ৰত্নোত্তমা দাসৰ দৰে বিশিষ্ট সাহিত্যিকসকলে অংশ গ্ৰহণ কৰিব। আলোচনা চক্ৰখনত 'সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ প্ৰভাৱ', 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ চিৰস্থায়ী ঐতিহ্য', 'সংবাদ মাধ্যম আৰু সাহিত্যৰ ৰূপকাৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য' আদি গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰা হ'ব বুলি অকাডেমিয়ে এটা বিবৃতিত উল্লেখ কৰিছে।